Total number of printed pages=4

1A (Sem-2/ITEP)ASS01MN

2026

ASSAMESE

(Minor)

[(অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস ১৮২৬ চনৰপৰা ২০০০ চনলৈ]

Paper : ASS4200104MN

(Full Marks : 60

Time : $2\frac{1}{2}$ hours

The figures in the margin indicate

full marks for the questions.

১. চমুকৈ উত্তৰ দিয়া ঃ (যিকোনো আঠটা) ৮×১= ৮

(ক) 'অৰুণোদই' কাকতৰ প্ৰথমজন সম্পাদক কোন আছিল?

(খ) প্ৰথম অসমীয়া আধুনিক নাটকখনৰ নাম লিখা।

(গ) মিচিং জনগোষ্ঠীৰ আধাৰত ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা উপন্যাসখনৰ নাম কি?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ এখন নাটকৰ নাম লিখা।

(ঙ) 'জাতীয় গৌৰৱ' কবিতাটি কাৰ ৰচনা?

Anandaram Dhekial Phookan College Library * Assam * Date Acc. No.

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ এখন কবিতাপুথিৰ নাম লিখা।

(ছ) 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখন কোনজন সাহিত্যিকৰ ৰচনা?

(জ) 'জয়ন্তী' আলোচনীখন প্ৰথমে কোন চনত প্ৰকাশ হৈছিল?

(ঝ) আধুনিক কবিতাৰ দুৱাৰ মুকলি কৰোঁতা কবিজনৰ নাম লিখা।

(ঞ) চৈয়দ আব্দুল মালিকৰ এখন গল্পপুথিৰ নাম উল্লেখ কৰা।

২. চমুকৈ উত্তৰ লিখা ঃ (যিকোনো ছয়টা) ২×৬= ১২

(ক) অসমত ছপাখানা প্ৰথমে কেতিয়া আৰু ক'ত স্থাপন কৰা হৈছিল?

(খ) প্ৰথম অসমীয়া ব্যাকৰণখনৰ নাম কি আৰু কোনে প্ৰণয়ন কৰিছিল?

(গ) 'জোনাকী' আলোচনীখন কিমান চনত প্ৰথম প্ৰকাশ হৈছিল? ইয়াৰ প্ৰথমজন সম্পাদক কোন আছিল?

(ঘ) মিচনেৰী যুগৰ অসমীয়া গদ্যৰীতিৰ দুটা বৈশিষ্ট্য লিখা।

(ঙ) 'হেমকোষ'ৰ ৰচক কোন আৰু কিমান চনত প্ৰথম প্ৰকাশ হৈছিল?

(চ) সত্যনাথ বৰাই 'জীৱনৰ অমিয়া' পাঠত কি কি দুই শ্ৰেণীৰ মানুহৰ কথা উল্লেখ কৰিছে?

(ছ) অসমীয়া চুটিগল্পৰ জনক কোন? প্ৰথম অসমীয়া চুটিগল্প বুলি কোনটো গল্পক কোৱা হয়?

(জ) 'নিমাতী কইনা' কাৰ ৰচনা? কোনে নিমাতীৰ মাত উলিয়াবলৈ সক্ষম হৈছিল?

ঝ) জ্ঞানপীঠ বঁটা বিজয়ী অসমৰ একমাত্ৰ মহিলা গৰাকীৰ নাম লিখা।
তেওঁ কিমান চনত এই বঁটা লাভ কৰিছিল?

(ঞ) "কেনে আছোঁ মোক নুসুধিবা
মৰো মোক সোধা নাই
কলঙেদি উটি আহে মুণ্ডহীন
এজনী ছোৱালী....."

— কবিতাফাকি কোনটো কবিতাৰপৰা লোৱা হৈছে?
ইয়াৰ কবি কোন?

৩. চমুটোকা লিখা ঃ (যিকোনো চাৰিটা) ৫×৪= ২০

(ক) নৰকান্ত বৰুৱাৰ সাহিত্যকৃতি

(খ) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য

(গ) অসমীয়া সাহিত্যৰ বিকাশত আবাহন কাকতৰ ভূমিকা

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যংগ-সাহিত্য

(ঙ) 'পোহৰ' কবিতাৰ মূলভাব

(চ) গল্পকাৰ চৈয়দ আব্দুল মালিক

(ছ) ভাষাবিদ বাণীকান্ত কাকতি

৪. তলৰ যিকোনো দুটাৰ উত্তৰ লিখা ঃ ১০×২= ২০

(ক) অসমীয়া ভাষা-সাহিত্যলৈ মিচনেৰীসকলৰ অৱদান সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(খ) আনন্দৰাম ঢেকিয়াল ফুকনে কি কি কাৰণত অসমত দুৰৱস্থাৰ সৃষ্টি হ'ব পাৰে বুলি কৈছিল? তোমাৰ পাঠৰ আধাৰত বৰ্ণনা কৰা।

(গ) 'মিৰি-জীয়ৰী' কোন শ্ৰেণীৰ উপন্যাস? মিৰি-জীয়ৰী উপন্যাসত বৰ্ণিত সমাজ-ব্যৱস্থাৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

(ঘ) আধুনিক কবিতা বুলিলে কি বুজা? তোমাৰ পাঠ্যৰ আধাৰত আধুনিক কবিতাৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰা।

(ঙ) 'গহুৰ' গল্পত প্ৰকাশিত বিষয়বস্তু আৰু চৰিত্ৰ সম্পৰ্কে এটি বিশ্লেষণ দাঙি ধৰা।

Dhekial Phookan College Library * Ananda Ram Dhekial Phookan * Nagaon, Assam
Acc. No.
Date